REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 12-11-2026
Time : 9-25 PM

ASSAMESE NIGHT BULLETIN

::

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই আজি মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাৰ গাৰো হেৰিটেজ ভিলেজত আয়োজিত ৰাংগালা উৎসৱৰ সোণালী জয়ন্তী কার্যসূচীত অংশগ্রহণ কৰে। মুখ্যমন্ত্রীগৰাকীয়ে গাৰো সম্প্রদায়ৰ বিভিন্ন নৃত্য উপভোগ কৰাৰ লগতে সম্প্রদায়টোৰ পৰম্পৰাগত সুৰা প্রস্তুত ৰীতিও পৰিদর্শন কৰে। ৰাংগালা উৎসৱৰ সোণালী জয়ন্তী উপলক্ষে গাৰো শিল্পীসকলে এহেজাৰ ড্রাম বজাই সম্প্রদায়টোৰ সমৃদ্ধ কৃষ্টি প্রদর্শন কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্রী ড০ শর্মাই ঐতিহাসিক হাণ্ড্রেড ড্রাম ৰাংগালা উৎসৱৰ এই বিশেষ ক্ষণত উপস্থিত থাকিবলৈ পাই আনন্দ প্রকাশ কৰে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৭ৰ প্রপত্র পূৰণৰ দিন ১৭ নৱেম্বৰলৈ বৃদ্ধি কৰিছে। একেদৰে পৰীক্ষা মাচুল আদায় দিয়াৰ অন্তিম দিন ২০ নৱেম্বৰ ধাৰ্য্য কৰা হৈছে। এই সন্দর্ভত বিদ্যালয় শিক্ষা পৰিষদে যিসমূহ বিদ্যালয়ে বর্তমানো হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্র-পত্র পূৰণৰ প্রক্রিয়া সম্পূর্ণ কৰা নাই এনে বিদ্যালয়সমূহক নির্ধাৰিত সময়সীমাৰ ভিতৰত প্রপত্র পূৰণ কৰিবলৈ নির্দেশ দিছে। তদুপৰি শিক্ষার্থীৰ বেংক একাউণ্টৰ সবিশেষ তথ্যও আপডেট কৰিবলৈ শিক্ষানুষ্ঠানসমূহৰ মূৰববীসকলক নির্দেশ দিয়া হৈছে। নির্দেশনাটোত লগতে পৰৱর্তী পর্যায়ত কোনো পৰিস্থিতিতে হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৭ প্রপত্র পূৰণৰ দিন বৃদ্ধি কৰা নহয় বুলি বিদ্যালয় শিক্ষা পৰিষদে স্পষ্ট কৰি দিছে।

উল্লেখযোগ্য যে পূর্বে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ অনলাইন প্রপত্র পূৰণৰ অন্তিম দিন ১০ নৱেম্বৰ আৰু মাচুল জমা দিয়াৰ অন্তিম দিন ১২ নৱেম্বৰ ধার্য্য কৰা হৈছিল।

০০০০০০০

ৰাজ্যত আজি ২০২৭ চনৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ ফটোযুক্ত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ খচৰা তালিকা প্রকাশ কৰা হৈছে। খচৰা ভোটাৰ তালিকা অনুসৰি ৰাজ্যত মুঠ দুই কোটি ৫১ লাখ ৭৬ হাজাৰ ৯১০ গৰাকী ভোটদাতা আছে। ইয়াৰ ভিতৰত এক কোটি ২৫ লাখ ৮৭ হাজাৰ ৬৫০ গৰাকী পুৰুষ, এক কোটি ২৫ লাখ ৮৮ হাজাৰ ৯৩৯ গৰাকী মহিলা আৰু ৩২১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

উল্লেখযোগ্য যে, চলিত বর্ষৰ ১০ ফেব্রুৱাৰীত প্রকাশিত পূর্বৰ চূড়ান্ত ভোটাৰ তালিকাত মুঠ দুই কোটি ৪৯ লাখ ৫৮ হাজাৰ ১৩৯ গৰাকী ভোটদাতাৰ তথ্য প্রকাশ হৈছিল। নিৰন্তৰ সংশোধনীৰ সময়ছোৱাত মুঠ চাৰি লাখ ১২ হাজাৰ ৩৪৪ জন ভোটদাতা সংযোজন হোৱাৰ বিপৰীতে এক লাখ ৯৩ হাজাৰ ৫৭৩ জন ভোটদাতাৰ নাম কর্তন হোৱাৰ ফলত খচৰা ভোটাৰ তালিকাত ভোটদাতাৰ সংখ্যা দুই লাখ ১৮ হাজাৰ ৭৭১লৈ বৃদ্ধি পায়।

খচৰা ভোটাৰ তালিকাত দুই লাখ পাঁচ হাজাৰ ৯৬২ গৰাকী বিশেষভাৱে সক্ষম ভোটদাতা, ১৮ৰ পৰা ১৯ বছৰ বয়সৰ দুই লাখ ৮৭ হাজাৰ ২৩৩ গৰাকী যুৱ ভোটদাতা আৰু ৮৫ বছৰ বা ইয়াৰ উৰ্ধৰ এক লাখ ২২ হাজাৰ ১৯৮ গৰাকী ভোটদাতা অন্তৰ্ভুক্ত কৰা হৈছে। ৰাজ্যত মুঠ ৩১ হাজাৰ ৫১৬টা ভোটকেন্দ্ৰ আছে। ইয়াৰ ভিতৰত মানকাচৰ বিধানসভা সমষ্টিত সৰ্বাধিক ৪০২ টা আৰু দতমা বিধানসভা সমষ্টিত সৰ্বনিম্ন ১৪৭ টা ভোটকেন্দ্ৰ আছে।

oooooooo

হাভার্ড বিশ্ববিদ্যালয়ৰ গৱেষক, বিজ্ঞানী, লেখক, অসম গৌৰৱ ড০ ৰুবুল মাউত আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰত উপস্থিত হৈ কেন্দ্ৰটোৰ বিষয়া-কর্মচাৰীসকলৰ সৈতে বার্তালাপ কৰে। জীৱ বিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে সন্মানীয় আসন অধিকাৰ কৰিবলৈ সমর্থ হোৱাৰ লগতে **মোৰো এটা সপোন আছে**ৰ দৰে বহুজন সমাদৃত গ্ৰন্থ পটুৱৈ সমাজক উপহাৰ দিয়া ড০ মাউতক কেন্দ্ৰটোৰ তৰফৰ পৰা ফুলাম গামোচা, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলাৰে অনুষ্ঠান কার্যবাহী ইন্দ্ৰজিৎ দাসে সম্বর্ধনা জনায়। উল্লেখযোগ্য যে ড০ মাউতৰ বহুল পঠিত **মোৰো এটা সপোন আছে** গ্ৰন্থখন আকাশবাণী যোগে ধাৰাবাহিকভাৱে পাঠ কৰা হৈছিল। এই ধাৰাবাহিক পাঠ অনুষ্ঠানত অংশ লোৱা কলা-কুশলীসকলৰ লগতে ঘোষক-ঘোষিকাসকলৰ সৈতেও ড০ মাউতে মত বিনিময় কৰে।

oooooooo

অসম সাহিত্য সভাৰ ২০২৭-২৯ বর্ষৰ সভাপতি পদৰ মনোনীত প্ৰার্থীসকলৰ ক্ষেত্ৰত আজিৰে পৰা কার্যকৰী হোৱাকৈ আচৰণ বিধি বলৱৎ কৰা হৈছে। এতিয়াৰে পৰা প্ৰার্থীসকলে কোনো শাখা বা জিলা সাহিত্য সভাৰ বিষয়ৱবীয়াক যোগাযোগ কৰি ভোটদানৰ বাবে প্ৰলোভিত কৰিব নোৱাৰিব। লগতে অন্য অনুষ্ঠানে পতা সভা-সমিতিলৈ গৈ সভাপতি পদৰ প্ৰার্থীয়ে ভোটাৰক প্ৰলোভিত কৰাৰ কৌশল ল'ব নোৱাৰিব। তেনে প্ৰার্থীৰ বিৰুদ্ধে অসম সাহিত্য সভাৰ সংবিধান বিৰোধী কার্যত লিপ্ত হোৱাৰ তথ্য ভিত্তিক প্ৰমাণ পালে নির্বাচনী সমিতিয়ে ব্যৱস্থা গ্ৰহণ কৰিব।

আজি অসম সাহিত্য সভাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজন কৰা এখন সংবাদমেল যোগে মুখ্য নির্বাচনী বিষয়া ড০ থানেশ্বৰ কলিতাই এই কথা সদৰী কৰে। তেওঁ নিকা নির্বাচন অনুষ্ঠিত কৰাৰ স্বার্থত সংশ্লিষ্ট সকলোকে এই ক্ষেত্ৰত সহযোগিতা কৰিবলৈ আহ্বান জনায়। সংবাদমেলত ভাগ লৈ নির্বাচনী বিষয়া পৰেশ বৈশ্যই কয় যে আজি উপ-সভাপতি আৰু প্ৰধান সম্পাদক পদৰ প্ৰার্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনটোত দুয়োটা পদৰে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰা নাই। খচৰা ভোটাৰ তালিকাত থকা আখোঁৰাহ সন্দর্ভত কোনো শাখা সাহিত্য সভা বা জিলা সাহিত্য সভাই আত্মপক্ষক সমর্থন কৰিব খুজিলে ১৩ নৱেম্বৰৰ বিয়লি তিনি বজাৰ ভিতৰত নির্বাচন সমিতিৰ ওচৰত আবেদন দাখিল কৰিব পাৰিব।

উল্লেখযোগ্য যে ইতিপূৰ্বে সভাৰ ২০২৭-২৯ কার্যবর্ষৰ উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ পদৰ বাবে হ'বলগীয়া নির্বাচনৰ অধিসূচনা জাৰি কৰা হৈছিল।

oooooooo

ঃঃ সমাপ্ত ঃঃ